Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

## RAJIV BHAWAN

INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005

০২-০৯-২০১৬

# প্ৰেছ বিবৃতি

## নলিনীধৰ ভট্টাচাৰ্য্যৰ মৃত্যু কংগ্ৰেছৰ শোকপ্ৰকাশ

গুৱাহাটী ০২ ছেপ্টেম্বৰ – কাব্যমহীৰুহ, সাহিত্যচাৰ্য্য নলিনীধৰ ভট্টাচাৰ্য্যদেৱৰ মৃত্যুত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ হৈ সভাপতি ৰিপুন বৰাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছে। ১৯২১ চনৰ যোৰহাটৰ মেলেং কাঠগাঁৱত জন্মগ্ৰহণ কৰা নলিনীধৰ ভট্টাচাৰ্য্যই আই এ পাছ কৰাৰ পাছত ‘প্ৰাইভেট’ কৈ বি এ আৰু এম এ পাছ কৰি শ্বিলঙৰ এন্থনী কলেজত অসমীয়া ভাষাৰ শিক্ষক হিচাপে যোগদান কৰে। পিছত ১৯৬৩ চনত গুৱাহাটীৰ আৰ্য মহাবিদ্যালয় যোগদান কৰি ১৯৮৩ চনত অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা ভট্টাচাৰ্য্যদেৱে তেওঁৰ ‘মহৎ ঐতিহ্য’ কাব্য গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা আৰু ‘দুই পুৰুষ’ গ্ৰন্থৰ বাবে ছোভিয়েট নেহৰু বঁটা লাভ কৰিছিল। ৯৫ বছৰীয়া এইগৰাকী মহান সাহিত্যিক গৰাকীৰ অন্যান্য বহু ৰচনাৰে আমাৰ ভাষা-সাহিত্যৰ ভড়াল সমৃদ্ধ কৰি থৈ গৈছে। আজি ৰাজ্যৰ সাহিত্য ক্ষেত্ৰই এগৰাকী পথ প্ৰদৰ্শকক হেৰুৱালে বুলি সভাপতি ৰিপুন বৰাই শোকাঞ্জলি জ্ঞাপন কৰিছে।

(অপূৰ্ব কুমাৰ ভট্টাচাৰ্য)
জ্যেষ্ঠ মুখপাত্ৰ,
অসম প্ৰদেশ কংগ্ৰেছ কমিটী